**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

অসম মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত চাৰিগৰাকী মন্ত্ৰীক কাইলৈ দপ্তৰ বিতৰণ কৰা হ'ব। নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰাৰ লগতে মন্ত্ৰীসভাৰ পুৰণি কেইবাগৰাকীও মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ পাইছে। উল্লেখযোগ্য যে কালি এই মন্ত্ৰীকেইগৰাকীয়ে শপত গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰী শৰ্মাই কাইলৈ দিনৰ ১২ বজাৰ ভিতৰত দপ্তৰ বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিছে।

এই নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। ডিব্ৰুগড় সমষ্টিৰ পৰা অসম বিধানসভালৈ একেৰাহে ৪ বাৰকৈ নিৰ্বাচিত প্ৰশান্ত ফুকনৰ অন্তৰ্ভুক্তিয়ে অসম মন্ত্ৰীসভাক অভিজ্ঞতা পুষ্ট কৰিব বুলি আশা কৰা হৈছে। ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাৰ অন্তৰ্ভুক্তিয়ে মন্ত্ৰীসভাত চাহ জনগোষ্ঠীৰ প্ৰতিনিধিত্ব শক্তিশালী কৰিছে। আনহাতে, পৰিমল শুক্লবৈদ্য লোকসভালৈ নিৰ্বাচিত হোৱাৰ পাছত প্ৰতিনিধিত্বহীন হৈ পৰা বৰাক উপত্যকাই লক্ষীপুৰ আৰু পাথাৰকান্দিৰ বিধায়ক কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালৰ জৰিয়তে মন্ত্ৰীসভাত যোগ্য প্ৰতিনিধিত্ব লাভ কৰিছে।

০০০০

মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী বিধানসভা সমষ্টিৰ পশুধন খণ্ডৰ প্ৰগতিশীল কৃষকৰ বাবে জীৱিকা আৰু নিয়োগ সৃষ্টিৰ উদ্দেশ্যে বিশেষ আঁচনি মুকলি কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কৃষকসকলৰ মাজত কৃষি সা-সঁজুলি বিতৰণ কৰে। অনুষ্ঠানত দিয়া ভাষণত ড০ শৰ্মাই কয় যে ৰাজ্যখনত এতিয়ালৈকে প্ৰায় দুহেজাৰ ৫০০ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছে। এই যোজনাৰ অধীনত বিভিন্ন উন্নয়নমূলক কাম-কাজ ৰূপায়ণৰ বাবে আবণ্টিত ধনৰ পৰিমাণ ১০ কোটি টকালৈ বৃদ্ধি পাইছে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰখা হৈছে। তদুপৰি পশুধন খণ্ডত প্ৰগতিশীল কৃষকৰ বাবে জীৱিকা আৰু নিয়োগ সৃষ্টিৰ অনন্য পদক্ষেপ এই যোজনাৰ অধীনত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে দুগ্ধ উৎপাদন আৰু মাছ উৎপাদনত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত প্ৰতি দিনে বাণিজ্যিকভাৱে ১ লাখ লিটাৰ গাখীৰহে উৎপাদন হয়। ইয়াৰ বিপৰীতে গুজৰাটত প্ৰতি দিনে ১ কোটি লিটাৰ আৰু কৰ্ণাটকত ৬০ লাখ লিটাৰ দুগ্ধ উৎপাদন হয়। ৰাজ্য চৰকাৰে ৫ বছৰ ধৰি প্ৰয়াস চলোৱাৰ পাছত অসমত ২ লাখ লিটাৰ গাখীৰ উৎপাদন সম্ভৱ হৈ উঠা নাই বুলি উল্লেখ কৰি এই ক্ষেত্ৰত সামগ্ৰিকভাৱে নতুন প্ৰজন্ম এতিয়াও আগ্ৰহী নহয় বুলি উল্লেখ কৰে। ড০ শৰ্মাই ৰাজ্যখনৰ শিক্ষিত যুৱ প্ৰজন্মক কৃষি আৰু পশুপালন খণ্ডলৈ আগবাঢ়ি আহি লাভান্বিত হ'বলৈ আহ্বান জনায়। শিক্ষিত যুৱক-যুৱতীসকলক

স্বাৱলম্বী হোৱাৰ বাবে এই খণ্ডৰ সৈতে নিয়োজিত হ'বলৈ তেওঁ আহ্বান জনায়। আজিৰ অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু চন্দ্ৰমোহন পাটোৱাৰীও উপস্থিত থাকে।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ আজি সামৰণি পৰিব। এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মহোৎসৱত উত্তৰ পূৱৰ বৰ্ণাঢ্য সংস্কৃতি, হস্ততাঁত বস্ত্ৰ, আৰু পৰ্যটনৰ সম্ভাৱনাময় চিত্ৰ প্ৰদৰ্শন কৰাৰ বাবে প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে এই বিষয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে যোগাযোগ, ডিজিটেল অন্তৰ্ভুক্তি আৰু বিনিয়োগ আন্তঃগাথনিৰ দিশত দ্ৰুত গতিৰে বিকাশ লাভ কৰিছে বুলি মন্তব্য কৰে।

০০০০

মঙলদৈৰ গান্ধী ময়দানত আজি মঙলদৈ গ্ৰন্থমেলা আৰম্ভ হৈছে। আজি বিয়লি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা ৰাজ্যসভাৰ সাংসদ ৰঞ্জন গগৈ আৰু দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলিপ শইকীয়াই মুখ্য অতিথি হিচাপে উপস্থিত থকা এই গ্ৰন্থমেলা উদ্বোধন কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, ব্যক্তিৰ সফলতা তেওঁৰ মৃত্যুৰ লগে লগে হেৰাই যায় যদিও লেখক-সাহিত্যিকৰ সফলতা তেওঁলোকৰ গ্ৰন্থৰ জৰিয়তে মৃত্যুৰ পাছতো উত্তৰ পুৰুষৰ বাবে ৰৈ যায়। সপ্তাহজোৰা এই গ্ৰন্থমেলাত ৰাজ্যখনৰ কেইবাটাও গ্ৰন্থ প্ৰকাশন আৰু বিক্ৰেতা প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ বাহিৰৰো কেইবাটাও প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে বুলি আমাৰ মঙলদৈৰ সংবাদদাতাই জনাইছে।

ইপিনে, মৰাণ নাগৰিক সমাজৰ উদ্যোগত আৰু মৰাণবাসীৰ সহযোগত আয়োজিত চতুৰ্থ মৰাণ গ্ৰন্থমেলাৰ আজি সামৰণি পৰিছে। আজি অন্তিম দিনৰ কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০০

শ্ৰীভূমি জিলা আয়ুক্ত কাৰ্যালয়ত প্ৰশাসনীয় মুখ্য সহায়কৰ খালী পদ পূৰণৰ বাবে ভাৰতীয় নাগৰিক প্ৰাৰ্থীৰ পৰা নিৰ্দিষ্ট প্ৰপত্ৰযোগে আবেদন বিচৰা হৈছে। এই পদত আবেদনৰ বাবে প্ৰাৰ্থী সংশ্লিষ্ট জিলা আয়ুক্ত কাৰ্যালয়ত ন্যূনতম ২ বছৰ প্ৰশাসনীয় পৰিদৰ্শক সহায়ক হিচাপে কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত অহা ২৪ ডিচেম্বৰৰ বিয়লি ৫ বজাৰ ভিতৰত আবেদন জমা দিবলৈ কোৱা হৈছে।

০০০০০

নগাওঁৰ স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত মণিপুৰৰ আছুফি ফুটবল একাডেমীয়ে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। মণিপুৰৰ দলটো ডুলিয়াজানৰ অইল ইণ্ডিয়া ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল। মণিপুৰ দলে ডুলিয়াজান দলক ২-১ ৰ ব্যৱধানত পৰাজিত কৰে। নগাওঁৰ নুৰুল আমীন ষ্টেডিয়ামত চলি থকা ৭৬ সংখ্যক এই প্ৰতিযোগিতাত এইবাৰ দেশৰ আগশাৰীৰ ১৬ টা দলে প্ৰতিদ্বন্দিতা আগবঢ়ায়।

০০০০০

সমাপ্ত